**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-04-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই আজি গুৱাহাটীৰ বান পৰিস্থিতিৰ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। মহানগৰীৰ ভালেমান অঞ্চলত ১২২ মিলিমিটাৰ পৰ্যন্ত বৰষুণ হোৱাৰ ফলত কিছু অঞ্চল এতিয়াও জলমগ্ন হৈ আছে। আজি পৰ্যালোচনা বৈঠকত ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে ভাৰতীয় বতৰ বিজ্ঞান বিভাগ, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক সময়ে সময়ে আগলি বতৰা জনসাধাৰণক অৱগত কৰিবলৈ নিৰ্দেশ দিয়ে। জনসাধাৰণে আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰিব পৰাৰ সুবিধা হোৱাকৈ ৰাজ্যৰ মুখ্য সচিবগৰাকীয়ে এই বিভাগকেইটাক এই নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষক জলমগ্ন হোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ অঞ্চলসমূহৰ নলা নৰ্দমাসমূহ সময়মতে পৰিষ্কাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও বৰষুণৰ ফলত সৃষ্টি হোৱা জটিল পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে গুৱাহাটী পৌৰ নিগম, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু জলসম্পদ বিভাগক ২৪ ঘণ্টাই সাজু হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়। লোক নিৰ্মাণ বিভাগক জলমগ্ন ঠাইসমূহৰ নৰ্দমাসমূহ পৰিষ্কাৰ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ মহানগৰৰ সকলো নলা-নৰ্দমা নিৰ্ধাৰিত সময়ৰ ভিতৰত পৰিষ্কাৰ কৰিবলৈ নিৰ্দেশ দিছে। মালিগাওঁৰ মেনহলত পৰি মৃত্যু হোৱা মহিলাগৰাকীৰ বাবে ন্যায়িক তদন্ত ঘোষণা কৰা হৈছে যাতে ভৱিষ্যতে এনেধৰণৰ ঘটনা ৰোধ কৰিব পৰা যায়। মহানগৰীৰ অঞ্চলসমূহত স্বাভাৱিক জীৱন যাত্ৰা ঘূৰাই অনাৰ বাবে সকলো সংশ্লিষ্ট বিভাগসমূহক তাৎক্ষণিকভাৱে কাম কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জাৰি কৰা আগলি বতৰা অনুসৰি সকলো বিভাগ তথা কৰ্তৃপক্ষক বান সদৃশ পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০

নগাঁও জিলা ছেচন ন্যায়াধীশৰ আদালতে আজি অভি-নীল হত্যাকাণ্ডৰ চূড়ান্ত ৰায়দান কৰি ২০ জন অভিযুক্তক দোষী সাব্যস্ত কৰে। এই ৰায় অনুসৰি ২৫ জন অভিযুক্তক দোষমুক্ত কৰা হৈছে। ২৪ এপ্ৰিলত তেওঁলোকৰ শাস্তি সন্দৰ্ভত ৰায় দিয়া হ'ব। উল্লেখযোগ্য যে ২০১৮ চনৰ ৮ জুনত কাৰ্বি আংলঙৰ ডকমকাত শিশু অপহৰণকাৰীৰ সন্দেহত নীলোৎপল দাস আৰু অভিজিৎ নাথ নামৰ যুৱক দুজনক নৃশংসভাৱে হত্যা কৰাৰ অভিযোগত ভুক্তভোগীৰ পিতৃ-মাতৃয়ে দাখিল কৰা দুখন এজাহাৰৰ ভিত্তিত ডকমকা আৰক্ষীৰ চকীত এটা গোচৰ ৰুজু কৰা হৈছিল। ২০২৪ চনত আৰক্ষীয়ে এই গোচৰৰ অভিযোগনামা দাখিল কৰিছিল। প্ৰথম অৱস্থাত ডিফুত গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল যদিও পাছত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি গোচৰটো নগাঁও জিলা ছেচন আদালতলৈ স্থানান্তৰ কৰা হয়। বাদি-বিবাদি পক্ষৰ অভিযোগ-প্ৰতি অভিযোগ শুনাৰ পাছত সুদীৰ্ঘ ৮ বছৰৰ মূৰত আজি এই গোচৰৰ চূড়ান্ত ৰায়দান কৰা হয়।

০০০০

অসম আৰক্ষীৰ অপৰাধ শাখাত ৰুজু হোৱা এটা গোচৰৰ ভিত্তিত কংগ্ৰেছ নেতা পৱন খেৰাই গুৱাহাটী উচ্চ ন্যায়ালয়ত আগতীয়া জামিন বিচাৰি আবেদন দাখিল কৰিছে। এই আবেদনৰ ভিত্তিত কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে কংগ্ৰেছৰ জ্যেষ্ঠ নেতাজনৰ জামিন সন্দৰ্ভত শুনানি গ্ৰহণ কৰিব। উল্লেখযোগ্য যে কংগ্ৰেছ নেতাজনে এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পত্নীৰ তিনিখনকৈ পাৰপত্ৰ থকাৰ লগতে বিদেশত সম্পত্তি থকাৰ অভিযোগ উত্থাপন কৰিছিল। এই অভিযোগ নস্যাৎ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ পত্নীয়ে পৱন খেৰাৰ বিৰুদ্ধে অসম আৰক্ষীৰ অপৰাধ শাখাত এটা গোচৰ ৰুজু কৰে। অসম আৰক্ষীয়ে কংগ্ৰেছ নেতাজনক বিচাৰি দিল্লীতো অভিযান চলাইছিল।

০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অন্যতম মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই আজি জামিন বিচাৰি আদালতত আবেদন কৰিছে। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত অভিযুক্তজনৰ হৈ তেওঁৰ অধিবক্তাই আজি জামিন আবেদন দাখিল কৰে। আবেদনৰ প্ৰতিলিপি অসম চৰকাৰৰ লোক অধিবক্তাৰ দলক ইতিমধ্যে প্ৰদান কৰা হৈছে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ আন জন মূল অভিযুক্ত শ্যামকানু মহন্তয়ো ইতিমধ্যে আদালতত জামিন আবেদন দাখিল কৰিছে। অভিযুক্তজনৰ এই আবেদন সন্দৰ্ভত পৰহিলৈ আদালতে শুনানি গ্ৰহণ কৰিব। সেইদিনাই জিয়াউল কামাৰ নেতৃত্বাধীন লোক অধিবক্তাৰ দলে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন  আবেদনৰ বিৰুদ্ধে আদালতত যুক্তি প্ৰদৰ্শন কৰিব। অভিযুক্তসকলৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপৰ সপক্ষে আজি অসম চৰকাৰৰ হৈ লোক অধিবক্তাই আদালতত যুক্তি দাঙি ধৰে।

০০০০

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে আজি যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক আৰু বালিকা বিদ্যালয়  দুখনত স্থাপন কৰা ষ্ট্ৰং ৰুমসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁ ইয়াৰ আনুসংগিক সকলো দিশ পৰ্যালোচনা কৰে।

০০০০

মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক পৰিবেশ সন্দৰ্ভত আজি এখন নাগৰিক সভা অনুষ্ঠিত হয়। এই সভাত উপস্থিত থকা ব্যক্তিসকলে বিদ্যালয়খনত শিক্ষাৰ উন্নত পৰিবেশ গঢ়ি তোলাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

০০০০

ধেমাজি জিলাৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান মৰিধল মহাবিদ্যালয়ক বিশ্ববিদ্যালয় অনুদান আয়োগ চমুকৈ ইউ জি চি এ স্বায়ত্বশাসিত মহাবিদ্যালয়ৰ স্বীকৃতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে, ১৯৮৮ চনত প্ৰতিষ্ঠিত মহাবিদ্যালয়খনে জিলাখনৰ প্ৰথমখন স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ স্বীকৃতি লাভ কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগে ২০২৬-২৭ শিক্ষাবৰ্ষৰ পৰা পৰৱৰ্তী ১০ বছৰলৈ স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ স্বীকৃতি প্ৰদান কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ